জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ১৬৬ ● মঙলবাৰ ● ১১ ফাগুন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday February 24, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

## কানৈ মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' কাৰ্যসূচী



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৩ ফেব্ৰুৱাৰী ঃ আকাশবাণীয়ে শ্ৰোতাক কেতিয়াও বাছিল'ব লগীয়া বস্তু নিদিয়ে, যি প্ৰয়োজন সেইটোহে দিয়ে। এটা বস্তু বিচাৰি দহটা বস্তুৰ মাজত হেৰাই যাব লগীয়া মাধ্যম আকাশবাণী নহয়। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী পৰাশা কোঁৱৰে ২২ ফেব্ৰুৱাৰীত ডি এইচ এছ কানৈ মহাবিদ্যালয়ত (স্বায়ত্তশাসিত) প্ৰধানমন্ত্ৰীৰ মন কী বাত কাৰ্যসূচী মুকলি কৰি এইদৰে কয়। কোঁৱৰে কয় যে পৃথিৱীৰ ভিতৰত মাত্ৰ এটাই প্ৰচাৰ মাধ্যম আছে, যি ইতিমধ্যে এশ বছৰ অতিক্ৰম কৰিছে। এনে শক্তিশালী মাধ্যম আকাশবাণীৰ বাহিৰে দ্বিতীয় এটা নাই। তেওঁ কয় যে আকাশবাণীৰ কাৰ্যসূচীয়ে মানুহৰ কল্পনা শক্তি বৃদ্ধি কৰে আৰু ভাষাৰ শুদ্ধতা ৰক্ষা কৰে। ভাষাৰ উত্তৰণৰ যোগেদিহে জাতিৰ উত্তৰণ হয় বুলি উল্লেখ কৰি তেওঁ কয় যে আকাশবাণী কেন্দ্ৰসমূহে ভাষাৰ শুদ্ধতাত গুৰুত্ব দি আহিছে। লগতে কল্পনাপ্ৰৱণ মন এটাও সকলোকে সৃষ্টি কৰি আহিছে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে আকাশবাণী কেন্দ্ৰসমূহে সদায় মানুহক জীৱন দৰ্শনৰ সোৱাদ দি আহিছে। ই আধুনিক ভাৰতৰ একমাত্ৰ জনপ্ৰিয় সামাজিক, সাংস্কৃতিক মাধ্যম বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ ৩ অক্টোবৰত মন কী বাত কাৰ্যসূচী আৰম্ভ কৰিছিল আৰু এতিয়া এই কাৰ্যসূচীয়ে ১০০সংখ্যক খণ্ড অতিক্ৰম কৰিছে। ই এক জনপ্ৰিয় কাৰ্যসূচী বুলি উল্লেখ কৰি তেওঁ কয় যে দেশৰ সকলো মানুহক সামৰি আনকি দুৰ্গম অঞ্চললৈকে তেওঁৰ মনৰ অনুভৱ লৈ যাবলৈ কৰা প্ৰয়াসৰ বাবে এনে এক কাৰ্যসূচী শুভাৰম্ভ কৰা হৈছিল। ইতিমধ্যে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামাই ২০১৫ চনৰ জানুৱাৰী মাহত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে একেলগে মন কী বাত কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। ২২টাতকৈও অধিক ভাৰতীয় ভাষা আৰু ১১টা বিদেশী ভাষাত অনুবাদ কৰি এই কাৰ্যসূচী সম্প্ৰচাৰ কৰা হৈছে বুলিও তেওঁ কয়। বিশ্বৰ ভিতৰত আটাইতকৈ বেছি লোকে শুনা অনাতাঁৰ অনুষ্ঠানত মন কী বাত পৰিণত হৈছে বুলি তেওঁ কয়। এই কাৰ্যসূচী ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়তো পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটোত তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ আকাশবাণীৰ যোগেদি প্ৰচাৰিত মন কী বাত কাৰ্যসসূচী সকলো যুৱ প্ৰজন্মই শুনাতো জৰুৰী। তেওঁ কয় যে যুৱ প্ৰজন্মক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ সৈতে সংযোগ কৰিবলৈ কানৈ মহাবিদ্যালয়ত মন কী বাত কাৰ্যসূচী সকলোৱে উপভোগ কৰিব পৰাকৈ আয়োজন কৰা হয় বুলি উল্লেখ কৰে। অনুষ্ঠানত ছাত্ৰী নিবাসৰ মনিট্ৰেছ ভাৰ্চী গগৈয়ে উপস্থিত সকলোকে একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়। অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাৰ ডিব্ৰুগড় জিলাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি গগৈ, ছাত্ৰী নিবাসৰ অধীক্ষিকা উৰ্মিলা ৰামচিয়াৰীকে ধৰি ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

ডিব্ৰুগড, ষ্টাফ ৰিপৰ্টাৰ, ২৩ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ নৃতত্ত্ব বিভাগৰ উদ্যোগত তথা গৱেষণা আৰু উন্নয়ন কোষৰ সহযোগত ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত 'Population health and well-being in India with special reference to Northeast India (ISPHW-2026)' শীৰ্ষক এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনা-চক্ৰখনত উত্তৰ-পূব ভাৰতৰ লগতে সমগ্ৰ ভাৰত তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় বিভিন্ন দিশ ইয়াৰ বহনক্ষম উন্নয়নৰ লক্ষ্য (এছ ডি জি ৩) সম্পৰ্কীয় সকলো বিষয় আলোচনা হ'ব। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া আলোচনা-চক্ৰখনৰ উদ্বোধনী সভাত আদৰণী ভাষণ আগবঢ়াব মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখীৰাম শইকীয়াই শুভাৰম্ভ কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰখনৰ বীজ ভাষণ আগবঢ়াব কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ৰ এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকাই। উল্লেখযোগ্য যে ড° ডেকাই আগবঢ়াবলগীয়া উক্ত বক্তৃতাটো কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী ড° অৰুণ কুমাৰ দত্তৰ নামত উৎসৰ্গা কৰা হ'ব। আলোচনা-চক্ৰখনৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা গৱেষণাৰ সাৰাংশ পুথি উন্মোচন কৰিব কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে। আলোচনা-চক্ৰখনৰ দুটা দিনৰ বিভিন্ন বৈঠকত দেশ-বিদেশক প্ৰতিনিধিত্ব কৰা কেইবাজনো গৱেষকে সমল ব্যক্তিৰূপে উপস্থিত থাকি গৱেষণা-পত্ৰ পাঠ কৰিব। অসম তথা দেশৰ বিভিন্ন ৰাজ্যৰ ১০০ জনৰো অধিক গৱেষকে মানৱ স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় গৱেষণা-পত্ৰ পাঠ কৰিব। উক্ত আলোচনা-চক্ৰখনৰ বিভিন্ন বৈঠকত ক্ৰমে মুম্বাইৰ টাটা ইনষ্টিটিউট অব্ ছ'চিয়েল ছাইন্সৰ অধ্যাপক ড° চন্দ্ৰ জ্যোতি সোণোৱাল, কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ ৰতন বন্দোপাধ্যায়, আৰ এম আৰ চি, ডিব্ৰুগড়ৰ প্ৰসিদ্ধ বিজ্ঞানী ডাঃ প্ৰশান্ত কুমাৰ বৰা, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰ অধ্যাপক ডাঃ হেমন্ত কুমাৰ দত্তই আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ শীৰ্ষক বিষয়ত নিৰ্ধাৰিত গৱেষণা-পত্ৰ পাঠ কৰিব। আলোচনা-চক্ৰখনৰ শুভাৰম্ভ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞা। লগতে নৃতত্ত্ববিদ ড° সাৰ্থক সেনগুপ্তা, ড° ফৰিদা আহমেদ দাস, ড° দীপাঞ্জনা দত্ত দাস, ড° কল্যাণ বৰুৱাকে ধৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকিব।